স্বচ্ছতাই সেৱা অভিযান (ছেপ্টেম্বৰ 17 - অক্টোবৰ 02, 2026)

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে 17 ছেপ্টেম্বৰৰ পৰা 02 অক্টোবৰ, 2026 লৈ "স্বচ্ছতা হি সেৱা 2026" (এছএইচএছ-2026) অভিযানৰ আয়োজন কৰে। ইয়াৰ অধীনত মন্ত্ৰালয়ে এছএইচএছ 2026-ৰ ছটা মুখ্য গুৰুত্বপূৰ্ণ ক্ষেত্ৰ, যেনে- ট্ৰান্সফৰ্মেছন অব্ ক্লীনলিনেছ /টাৰ্গেট ইউনিটছ (চিটিইউ) এণ্ড ক্লীন পাব্লিক স্পেছেছ, স্বচ্ছ পাঠশালা: যুৱা ফৰ স্বচ্ছতা, ছাফাইমিত্ৰ সুৰক্ষা সেৱা এৱম সন্মান শিৰিৰ, জন ভাগীদাৰী/এডভোকেচী, আৰু স্বচ্ছতা সে সমৃদ্ধিৰ বিষয়ে বিদেশত থকা সকলো ভাৰতীয় মিছন আৰু পোষ্টৰ লগতে ভাৰতজুৰি বিস্তৃত সকলো আঞ্চলিক পাছপ'ৰ্ট কাৰ্যালয়, এমইএ শাখা সচিবালয়, আৰু প্ৰ'টেক্টৰ অব্ ইমিগ্ৰেণ্টছ কাৰ্যালয়সমূহলৈ ব্যাপকভাৱে প্ৰচাৰ চলায়।

2. মন্ত্ৰালয়ে স্বচ্ছতাৰ বাবে ব্যাপক প্ৰচাৰ আৰু নাগৰিকৰ অংশগ্ৰহণ সুচল কৰি তোলে, বৃহৎ স্বচ্ছতা অভিযান আৰু দুৰ্গন্ধময় তথা জটিল আৱৰ্জনাৰ স্থানসমূহ (চিটিইউ) পৰিষ্কাৰকৰণ চলায়, অনাময় আৰু হাউচকীপিং কৰ্মচাৰীসকলৰ বাবে স্বাস্থ্য শিৰিৰৰ আয়োজন কৰে আৰু লগতে ভাৰতত বৃত্তাকাৰ অৰ্থনীতি বা চাৰ্কুলাৰ ইকনমিত অৰিহণা যোগোৱাৰ উদ্দেশ্যে বহনক্ষম আৱৰ্জনা ব্যৱস্থাপনাৰ দিশত স্বচ্ছতা অভিযান অব্যাহত ৰখাৰ সংকল্প পুনৰ দোহাৰে।

3. অভিযানৰ সময়ছোৱাত, মন্ত্ৰালয়ে বিদেশত থকা ভাৰতীয় মিছন/পোষ্ট আৰু ভাৰতত থকা সংলগ্ন/অধীনস্থ কাৰ্যালয়সমূহৰ সৈতে মিলি 16 টাতকৈও অধিক ছাফাই মিত্ৰ সুৰক্ষা শিৰিৰৰ আয়োজন কৰে, 184 টা চিটিইউ চিনাক্ত কৰি পৰিষ্কাৰ কৰে, মানৱ শৃংখল গঠনৰ জৰিয়তে আচ�ৰণগত পৰিৱৰ্তন আৰু স্বচ্ছতাৰ গুৰুত্ব দাঙি ধৰে, ‘ঘৰে ঘৰে সচেতনতা’ অভিযান চলায়, স্বচ্ছতা আৰু ‘ৱেষ্ট-টু-আৰ্ট’ বিষয়বস্তুৰ ওপৰত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰে, স্বচ্ছতা ৰানৰ লগতে ব্যাপক পৰ্যায়ৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু ‘এবাৰ ব্যৱহৃত প্লাষ্টিকক না কওক’ অভিযান চলায়, আৰু সুষমা স্বৰাজ ভৱনত আভা আৰু আয়ুষ্মান ভাৰত পিএমজেএৱাই সন্দৰ্ভত সজাগতা কৰ্মশালা, ‘এক পেড় মা কে নাম’ অভিযান আৰু বস্ত্ৰ দান কাৰ্যসূচীৰ আয়োজন কৰে।

4. স্বচ্ছতা হি সেৱা অভিযান 2026-ৰ আনুষ্ঠানিক উদ্বোধন 17 ছেপ্টেম্বৰ, 2026-ত বৈদেশিক সচিব শ্ৰী বিক্ৰম মিছৰীয়ে কৰে। তেওঁ এমইএ-ৰ বিষয়া-কৰ্মচাৰীসকলক ‘স্বচ্ছতা সংকল্প’ পাঠ কৰোৱায় আৰু এমইএ-ৰ জৱাহৰলাল নেহৰু ভৱনৰ প্ৰাংগনত ‘এক পেড় মা কে নাম’ কাৰ্যসূচীৰ অংশস্বৰূপে এজোপা পুলি ৰোপণ কৰে। ইয়াৰ উপৰিও বৈদেশিক সচিবে পৰিষ্কাৰ-পৰিচ্ছন্নতা অভিযানৰ বাবে শ্ৰমদানতো এমইএ-ৰ বিষয়া-কৰ্মচাৰীসকলক নেতৃত্ব প্ৰদান কৰে।

5. অভিযানৰ অধীনত ছাফাই মিত্ৰসকলৰ (অনাময় কৰ্মী) প্ৰচেষ্টাক স্বীকৃতি দিয়াত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছিল। প্ৰতিষেধকমূলক স্বাস্থ্য পৰীক্ষাৰ বাবে চিজিএইচএছ তালিকাভুক্ত স্থানীয় স্বাস্থ্য সেৱা প্ৰদানকাৰী আৰু চিকিৎসকসকলৰ সহযোগত অনাময় কৰ্মী আৰু তেওঁলোকৰ নিৰ্ভৰশীলসকলৰ বাবে ‘ছাফাই মিত্ৰ সুৰক্ষা শিবিৰ’ৰ আয়োজন কৰা হৈছিল। এছএইচএছ 2026-ৰ অধীনত অনুষ্ঠিত এনে বহু স্বাস্থ্য শিবিৰে ভাৰত আৰু বিদেশৰ হেজাৰ হেজাৰ ছাফাই মিত্ৰক উপকৃত কৰে।

6. 02 অক্টোবৰ, 2026-ত মন্ত্ৰালয়ে 'স্বচ্ছতা হি সেৱা 2026' অভিযানৰ সামৰণি উপলক্ষে অতি উৎসাহ আৰু উদ্দীপনাৰে গান্ধী জয়ন্তী আৰু স্বচ্ছ ভাৰত দিৱস উদযাপন কৰে। অভিযানৰ সময়ছোৱাত গ্ৰহণ কৰা কাৰ্যসূচীসমূহ ভাৰত আৰু বিদেশত ব্যাপক অংশগ্ৰহণেৰে বিস্তৃত আৰু সুদূ�ৰপ্ৰসাৰী আছিল।

নতুন দিল্লী

অক্টোবৰ 07, 2026